**Unit - I**

# পৰীক্ষণ মনোবিজ্ঞান
# (Experimental Psychology)

## ১.১ ঃপৰীক্ষণ মনোবিজ্ঞানৰ চমু আভাষ
### *(An introduction to psychological experiment)*

মনোবিজ্ঞানক প্ৰকৃত বিজ্ঞানৰ শাৰীলৈ উন্নীত কৰিবলৈ বহুতো জটিলতাৰ সন্মুখীন হ'বলগীয়াত পৰিছিল। কিয়নো ইয়াত বিষয়বস্তুৰ ওপৰত কোনো নিয়ন্ত্ৰণ নাথাকে। কিন্তু বিজ্ঞান হিচাপে ৰসায়ন শাস্ত্ৰৰ ক্ষেত্ৰত বিষয়বস্তুৰ ওপৰত সম্পূৰ্ণ নিয়ন্ত্ৰণ আছে আৰু ইয়াৰ কাৰণ হ'ল মনোবিজ্ঞানৰ বিষয়বস্তু মানৱৰ ইন্দ্ৰিয় আৰু আচৰণৰ লগত জড়িত। মানৱ আচৰণৰ পৰিসৰ আৰু সীমাবদ্ধতা বিস্তৃত। ইয়াৰ বিশ্লেষণৰ বাবে বিভিন্ন পদ্ধতি অৱলম্বন কৰা হয়। মানৱৰ দৈনন্দিন আচৰণৰ পৰা আৰম্ভ কৰি বিভিন্ন প্ৰভেদদৰ্শিতা থকা আচৰণ ই সামৰি লৈছে। তাৰ বাহিৰেও মানৱৰ সৃজনী শক্তিৰ অধ্যয়নো মনোবিজ্ঞানৰ ভিতৰত আৱদ্ধ। মনোবিজ্ঞানৰ মানৱ আচৰণৰ বিষয়টো অধ্যয়ন কৰিবলৈ বিভিন্ন ধৰণেৰ প্ৰচেষ্টা অব্যাহত আছে।

অন্যান্য বিজ্ঞানৰ দৰে মনোবিজ্ঞানেও সংপৰীক্ষণমূলক পদ্ধতিৰ প্ৰতি আসক্তি প্ৰকাশ কৰে। যিহেতুকে মনোবিজ্ঞানকো বিজ্ঞান বুলি ক'বলৈ বিচৰা হৈছে। কিন্তু অন্যান্য বিজ্ঞানতকৈ মনোবিজ্ঞানে পৰীক্ষণ পদ্ধতি পলমকৈ আৰম্ভ কৰিছে। যদিওবা ইয়াৰ প্ৰয়োজন বহুত আগতেই হৈছিল, মনোবিজ্ঞান পৰীক্ষাগাৰৰ অভাৱৰ বাবে ই হৈ নুঠিছিল। ১৮৭৯ চনত উন্টে (Wunelt) লিপ্‌জিগত প্ৰথম মনোবৈজ্ঞানিক গৱেষণাগাৰ প্ৰতিষ্ঠা কৰে। সাধাৰণ বিজ্ঞানৰ লগত পৰীক্ষণ মনোবিজ্ঞানৰ পাৰ্থক্য আছে। বৰ্তমান পৰীক্ষণ মনোবিজ্ঞান এটা সুকীয়া গোট হিচাপে প্ৰতিষ্ঠিত হৈছে। ১৯ শতিকালৈকে সাধাৰণ মনোবিজ্ঞান দৰ্শনৰ এটা ভাগ আছিল পৰীক্ষণ মনোবিজ্ঞানৰ বিকাশৰ লগে লগে সাধাৰণ মনোবিজ্ঞানৰ প্ৰকৃতিৰো পৰিৱৰ্তন আহি পৰিল। বৰ্তমান সাধাৰণ মনোবিজ্ঞান পৰীক্ষণ মনোবিজ্ঞানৰ ওপৰত ভিত্তি কৰি গঢ়ি উঠিছে। সাধাৰণ মনোবিজ্ঞান আৰু পৰীক্ষণ মনোবিজ্ঞান ইটো সিটোৰ ওপৰত নিৰ্ভৰশীল। এটাক বাদ দি আনটোৰ কথা নোৱাৰি। এনেকৈ চাবলৈ গ'লে ক'ব পাৰি যে পৰীক্ষণ মনোবিজ্ঞান সাধাৰণ মনোবিজ্ঞানৰ এটা ভাগ। আকৌ দেখা যায় সাধাৰণ মনোবিজ্ঞানৰ বহুতো সমস্যা পৰীক্ষণ মনোবিজ্ঞানৰ সহায়ত সমাধা হৈছে।

মনোবিজ্ঞানে বৈজ্ঞানিক পদ্ধতি অৱলম্বন কৰিবলৈ প্ৰচেষ্টা চলাই আহিছে। মনোবিজ্ঞান আৰু আন বিজ্ঞানৰ মাজত কেৱল বিষয়বস্তুৰ ক্ষেত্ৰতহে পাৰ্থক্য দেখা যায়, পদ্ধতিৰ ক্ষেত্ৰত নহয়। পদাৰ্থবিজ্ঞানৰ বিষয়বস্তু মূৰ্ত বিষয় (concrete objects) কিন্তু পৰীক্ষণ বিজ্ঞানৰ বিষয়বস্তু মানৱৰ আচৰণ, মানসিক

প্ৰক্ৰিয়াসমূহৰ ভিতৰত ইচ্ছা, অভিপ্ৰায়, আবেগ, চিন্তা, ভাৱনা আদি বিষয়ক ই সামৰি লয়।

প্ৰত্যেক বিজ্ঞানৰ ভেটি হৈছে সুক্ষ্ম পৰ্য্যবেক্ষণ। মনোবিজ্ঞানে দুই ধৰণৰ পৰ্য্যবেক্ষণ কৰে। প্ৰথমে আমি আমাৰ আচৰণ পৰ্য্যবেক্ষণ কৰো আৰু দ্বিতীয়তে আমি আনৰ আচৰণ সুক্ষ্মভাৱে পৰ্য্যবেক্ষণ কৰিব পাৰো। আনৰ আচৰণৰ লগত তুলনা কৰি চাই আমাৰ ব্যক্তিগত পৰ্য্যবেক্ষণক শুদ্ধ বুলি বিবেচনা কৰিব পাৰো। যদিহে আনৰ আচৰণৰ লগত তুলনা কৰি চোৱা নহয় তেতিয়াহ'লে ব্যক্তিগত আদৰ্শ, ইচ্ছা, আবেগ আৰু পৰ্য্যবেক্ষকসকলৰ প্ৰভাৱ ইয়াত পৰাটো ধ্ৰুপ। পৰীক্ষণ মনোবিজ্ঞানৰ সহায়েৰে শুদ্ধ ধাৰণা পাব পাৰি। সেইবাবে পৰীক্ষণ মনোবিজ্ঞানক বিজ্ঞানসন্মত মনোবিজ্ঞান বুলিব পাৰি। পৰীক্ষণ মনোবিজ্ঞানত উদ্দীপক প্ৰতিক্ৰিয়াৰ অধ্যয়ন নিয়ন্ত্ৰিত পৰিবেশত কৰা হয়। মানৱ আচৰণৰ পৰিপ্ৰেক্ষিতত পৰীক্ষণ মনোবিজ্ঞানে কিছুমান কাৰ্য্য সাধন কৰে।

১। উদ্দীপকৰ সৈতে সম্বন্ধ ৰক্ষা কৰি যিমান পাৰে সিমান আচৰণ নিয়ন্ত্ৰণ কৰা।

২। অধ্যয়নৰ উদ্দেশ্য আগত ৰাখি চলক সমূহ পৃথক কৰা।

৩। শুদ্ধ প্ৰতিক্ৰিয়া বিচাৰি বা উদ্দীপক সমূহক বেছি উদ্দীপিত কৰিবলৈ উপযুক্ত সা-সঁজুলি ব্যৱহাৰ কৰা।

৪। তথ্যসমূহক সাংখ্যিক মানলৈ পৰিৱৰ্তিত কৰা হয় যাতে শেষত ইয়াৰ পৰা পৰিসাংখ্যিক তথ্য পাব পাৰি।

৫। তথ্যসমূহৰ লগত সম্বন্ধ থকাকৈ বৈজ্ঞানিক সূত্ৰ উলিওৱা হয় লাগিলে তাৰ ব্যৱহাৰিক প্ৰয়োজনীয়তা নাথাককে লাগে।

## ১.২ ঃ পৰীক্ষণ মনোবিজ্ঞানৰ পৰিসৰ
### *(Scope of Experimental Psychology)*

প্ৰাৰম্ভিক পৰ্য্যায়ত পৰীক্ষণ মনোবিজ্ঞানৰ বিষয়বস্তু আছিল আচৰণ। ১৯ শতিকাৰ প্ৰথম ভাগৰ কেইজনমান মনোবিজ্ঞানীয়ে আচৰণ আৰু ইয়াৰ অধ্যয়নৰ পৰা পোৱা ফলাফলসমূহৰ প্ৰয়োগ কৰিবলৈ চেষ্টা কৰিছিল। বৰ্তমান সময়ৰ পৰীক্ষণ মনোবিজ্ঞানৰ ছবি সম্পূৰ্ণ পৃথক। ই মানৱ আচৰণৰ ওপৰত অধ্যয়ন অব্যাহত ৰাখিছে আৰু তাৰ লগে লগে ইয়াৰ ফলাফলসমূহ বাস্তৱ জীৱনৰ ব্যৱহাৰিক প্ৰয়োগ সম্পৰ্কে সচেষ্ট হৈছে। গৱেষণাগাৰৰ বিষয় সঁচা জীৱনৰ প্ৰয়োগ ক্ষেত্ৰলৈ গতি কৰিছে। পৰীক্ষণ মনোবিজ্ঞানৰ পৰা লাভ কৰা ফলাফলসমূহ ফেক্টৰী, অফিচ, স্কুল, হস্পিতাল, যুদ্ধ, মহাকাশ যান আদিতো প্ৰয়োগ কৰা হৈছে। বিজ্ঞান হিচাবে পৰীক্ষণ মনোবিজ্ঞানৰ ক্ষেত্ৰ বৰ বহল।

প্ৰাথমিক অৱস্থাত পৰীক্ষণ মনোবিজ্ঞানৰ বিষয়বস্তু আছিল জীৱজন্তু। পিছলৈ জীৱজন্তুৰ ঠাইত ইয়াৰ বিষয়বস্তু হ'লগৈ মানৱ আৰু মানৱৰ আচৰণ। নিয়ন্ত্ৰিত পৰিৱেশৰ মাধ্যমত মানৱৰ সকলো আচৰণকে ই সামৰি লয়।

শিক্ষাৰ ক্ষেত্ৰত শিক্ষণ পদ্ধতি, পাঠ্যক্ৰমৰ বিকাশ আদিৰ ক্ষেত্ৰত ইয়াৰ বহুল প্ৰয়োগ হৈছে। শিক্ষণ নীতি, কাৰ্য্যকৰী শিক্ষণৰ বাবে পৰীক্ষণ মনোবিজ্ঞান ব্যৱহাৰ হৈছে। স্কিনাৰৰ (Skinner) কাৰ্য্যকৰী অনুবন্ধনবাদ (Operant conditioning) আচৰণ সংশোধন কাৰ্য্যত ব্যৱহাৰ হৈছে। প্ৰতিভাৱান শিশুৰ

ক্ষেত্ৰত যেনেকৈ নানান কৌশল আৱিষ্কাৰ কৰিছে ঠিক তেনেদৰে পিচপৰা (backward) শিশুৰ বিকাশৰ বাবে নানা পৰীক্ষামূলক পদ্ধতি উদ্ভাৱন হৈছে। লেয়ুইনৰ (Lewin) Group dynamic পদ্ধতি শ্ৰেণীত প্ৰয়োগ কৰি শ্ৰেণীকোঠা পৰিচালনৰ (Classroom management) ক্ষেত্ৰত সুফল পাব পাৰিছে। শিক্ষণ কৌশলসমূহ ছাত্ৰ-ছাত্ৰীক অভিৰোচিত (motivate) কৰিব পৰাকৈ ৰচনা কৰিছে।

আগতে পৰীক্ষণ পদ্ধতি অস্বাভাৱিক শিশুৰ বাবে ব্যৱহৃত কৰিব পাৰি বুলি ভবা হোৱা নাছিল। বৰ্তমান নৈদানিকভাৱে পৰীক্ষণমূলক মনোবিজ্ঞান প্ৰয়োগ কৰি অস্বাভাৱিক ব্যৱহাৰ থকা শিশুৰ ৰোগৰ কাৰণ নিৰ্ণয় কৰি চিকিৎসাৰ ব্যৱস্তা কৰিছে। এই ক্ষেত্ৰত পেড্লভৰ নাম বিশেষভাৱে উল্লেখযোগ্য স্কিনাৰৰ ৰোগ চিকিৎসা কৌশল (Therapy technique) আচৰণ মনোবিজ্ঞানত বিশেষভাৱে লেখত ল'বলগীয়া। চেইলাচে (Seylus) য়ে স্নায়ৱিক অস্বাভাৱিকতা, দৈহিক কাৰণত হোৱা মনোৰোগী (Psychosomatic) সকলৰ ক্লেশ আঁতৰ কৰিবলৈ অভীক্ষা প্ৰস্তুত কৰে। বৰ্তমানে নৈদানিক পৰীক্ষণ মনোবিজ্ঞানে (Experimental Clinical psychology) পৃথক বিভাগ হিচাপে কাম কৰিছে।

বৰ্তমান পৰীক্ষণ মনোবিজ্ঞানৰ বিষয়বস্তুৰ পৰিৱৰ্তন হ'ব ধৰিছে। ইয়াত আচৰণৰ বিভিন্ন দিশ পৰ্য্যবেক্ষণৰ দ্বাৰা পৰীক্ষা-নিৰীক্ষা কৰিবলৈ আধুনিক কৌশল আৱিষ্কাৰ হৈছে। পৰীক্ষণ মনোবিজ্ঞানে শিশুৰ বিভিন্ন দেহ মানসিক দিশ স্মৃতি, মনোযোগ, ব্যক্তিত্ব, কল্পনাশক্তি, বুদ্ধি আদিৰ অধ্যয়ন কৰে। সপোন (Dream) আৰু তাৰ ব্যাখ্যা পৰীক্ষণ মনোবিজ্ঞানৰ এক বহুল চৰ্চিত বিষয়। তাৰ বাদেও ই অতি-ইন্দ্ৰিয়ৰ বিষয়ৰ (Parapsychological Phenomenon) বিভিন্ন ব্যাখ্যা বিচাৰিবলৈও সক্ষম হৈছে।

তথ্য আহৰণৰ ওপৰত গঢ় লৈ উঠা তথ্য প্ৰযুক্তিবিদ্যাৰ ক্ষেত্ৰতো পৰীক্ষণ মনোবিজ্ঞান জড়িত হৈ পৰিছে। মানৱৰ ক্লেশ, তাৰ কাৰণ ব্যাখ্যা আৰু পৰিণতিত সৃষ্টি হোৱা আবেগিক জটিলতা, তাৰ সমাধানৰ উপায় আদি সম্পৰ্কীয় দিশো পৰীক্ষণ মনোবিজ্ঞানে সামৰি ল'ব খুজিছে।

এনেদৰে পৰীক্ষণ মনোবিজ্ঞানৰ পৰিসৰ দিনে দিনে বৃদ্ধি পাব ধৰিছে। শিশুৰ দেহ মানসিক বিকাশৰ সু-সামঞ্জস্য ৰক্ষা যৎপৰোনাস্তি চেষ্টা অব্যাহত ৰাখিছে।

## ১.৩ ঃ পৰীক্ষণ মনোবিজ্ঞানৰ ইতিহাস

***(History of Experimental Psychology)***

১৮৭৯ চনত লিপজিগত প্ৰতিস্থিত প্ৰথম মনোবৈজ্ঞানিক গৱেষণাগাৰটো প্ৰতিষ্ঠা কৰে উইলহেম উণ্টে (Wilhelm Woundt) এইফালৰ পৰা চাবলৈ গ'লে এনে প্ৰচেষ্টাৰ বৰ বেছি দিন হোৱা নাই যদিও বহুদিনীয়া আশাসুধীয়া প্ৰচেষ্টাৰ ফলতহে গৱেষণাগাৰটো প্ৰতিষ্ঠা হৈছে। ডেৰশ বছৰৰ পাছত পৰীক্ষণ মনোবিজ্ঞানে বহুখিনি বিকাশ লাভ কৰিব পাৰিছে। যদিও আন আন পৰীক্ষণ বিজ্ঞান যেনে— পদাৰ্থবিদ্যা, ৰসায়নবিদ্যাতকৈ মনোবৈজ্ঞানিক পৰীক্ষণ বিজ্ঞানে কিছু পিছ পৰি আছে। তথাপিও বৰ্তমানে পৰীক্ষণ মনোবিজ্ঞানে পদ্ধতি, কৌশল, আৰু নীৰিক্ষণৰ ক্ষেত্ৰত এক সুকীয়া প্ৰচেষ্টা আগবঢ়াব পাৰিছে আৰু আন আন বিজ্ঞানৰ শাৰীৰ সমপৰ্যায় হ'বগৈ পাৰিছে।

বহুলোকে নিৰ্জীৱ বিষয়ৰ ওপৰত কৰা পৰীক্ষণ আৰু মানুহৰ আচৰণৰ ওপৰত কৰা পৰীক্ষণ সমপৰ্যায়ৰ বুলি নাভাৱে। বিজ্ঞানৰ বিকাশৰ ফলস্বৰূপে সকলো প্ৰাকৃতিক বস্তুৰ ক্ষেত্ৰত এটা সাধাৰণ নীতি প্ৰতিস্থিত হ'ল। মানৱৰ আচৰণো জীৱ-জন্তু আৰু গছ-গছনিৰ প্ৰতিক্ৰিয়াৰ দৰেই প্ৰাকৃতিক বিষয়। কিন্তু মানৱ আচৰণক বিজ্ঞান সন্মত বা বৈজ্ঞানিক ভেঁটি প্ৰদান কৰাৰ বেলিকা নানান প্ৰশ্ন বা বিতৰ্কৰ সন্মুখীন হ'ব লগাত পৰিছিল। এনেদৰে বৈজ্ঞানিক চিন্তাধাৰাই পৰীক্ষণ মনোবিজ্ঞানৰ বাবে অনুপ্ৰেৰণা যোগালে আৰু তাৰ জৰিয়তে মানৱ আচৰণ বিজ্ঞান আন্দোলনৰ জোকাৰণিৰ সৃষ্টি হয়। এই আন্দোলনৰ কিছু বৈশিষ্ট্য দেখা যায়—

১) মনোবিজ্ঞানী সকলে এইটো প্ৰমাণ কৰি দেখুৱাইছে যে মানৱ আৰু জন্তুৰ জটিল আচৰণসমূহকো পৰীক্ষণমূলকভাৱে অধ্যয়ন কৰিব পাৰি।

২) মনোবিজ্ঞানৰ ফলাফল আৰু বিশ্লেষণসমূহক জীৱিত প্ৰাণীৰ আচৰণ নিৰ্ণয় কৰাৰ বাবে সঠিকভাৱে ব্যৱহাৰ কৰিব পাৰি।

৩) মনোবিজ্ঞানীসকলৰ পৰীক্ষাৰ ফলাফলসমূহৰ জৰিয়তে পৰিকল্পনা অনুযায়ী জীৱিত প্ৰাণীৰ আচৰণসমূহৰ পৰিৱৰ্তন কৰিব পৰা যায়।

৪) পৰীক্ষণ মনোবিজ্ঞানে অন্যান্য বিজ্ঞানৰ পৰা শিক্ষণ ল'বলৈ সক্ষম আৰু এনে শিক্ষণে তথ্যসমূহক বিশ্লেষণ কৰে আৰু নক্সা প্ৰস্তুত কৰে।

৫) এইবোৰৰ বাহিৰেও পৰীক্ষণ মনোবিজ্ঞানে বৰ্তমান প্ৰয়োগিক ক্ষেত্ৰত বিকাশ লাভ কৰিছে। এতিয়া আচৰণমূলক প্ৰযুক্তি কৌশলক 'Chemical technology' আখ্যা দিয়া হয়। পৰীক্ষণ মনোবিজ্ঞানী সকলে বিশ্লেষণ, আচৰণ আৰু মানৱ জীৱনৰ প্ৰকৃত পৰিস্থিতিক উন্নত কৰিব পাৰে। মনোবিজ্ঞানৰ পৰীক্ষাসমূহৰ ফলাফলসমূহক উদ্যোগ, হস্পিতাল, শ্ৰেণীকোঠা, যুদ্ধ, মহাকাশ যানসমূহৰ ক্ষেত্ৰত ক্ষীপ্ৰভাৱে প্ৰয়োগ কৰিবলৈ সক্ষম হৈছে।

ওপৰৰ কথাৰ পৰা এইটো পৰিস্কাৰ হৈছে যে অধ্যয়ন আৰু গৱেষণাৰ ভাগ হিচাবে পৰীক্ষণ মনোবিজ্ঞানে পৰিপক্ক বিজ্ঞান হিচাবে নতুনভাৱে প্ৰতিষ্ঠিত হ'ব পাৰিছে। কিন্তু এইটো পৰ্যায় পাবলৈ বহুত কষ্ট কৰিবলগীয়া হৈছে। পৰীক্ষশ মনোবিজ্ঞানৰ বাহিৰে ভিতৰে হোৱা বিভিন্ন গুৰুত্বপূৰ্ণ বিকাশৰ ফলশ্ৰুতিত এইখিনি সম্ভৱ হৈছে। অন্যান্য বিজ্ঞান যেনে— শৰীৰবিদ্যা, পদাৰ্থবিদ্যা, ৰসায়ন, জ্যোতিবিদ্যা, সমাজবিদ্যা, নৃত্তত্ববিদ্যা আদিৰ ফলসমূহক মনোবিজ্ঞানীসকলৰ অৱদানৰ সৈতে সমাযোজন কৰিব লগা হৈছে। এনেদৰে পৰীক্ষণ বিজ্ঞানৰ ই এক একক প্ৰচেষ্টা।

পৰীক্ষণ মনোবিজ্ঞানৰ মূল বিষয়টো দৰ্শনৰ পৰা লোৱা হৈছে। প্ৰাচীন গ্ৰীচ, ভাৰতীয় আৰু চীনৰ দাৰ্শনিকসকলৰ লিখনিত মানৱ আচৰণৰ গৱেষণাৰ উল্লেখ আছে। কিছু প্ৰাচীন চিন্তাবিদসকলৰ ভাৱধাৰা আধুনিক সময়ৰ সৈতে খাপ খোৱা ধৰণৰ। যিকি নহওক ওঠৰ শতিকালৈকেহে দাৰ্শনিকসকলে মনোবিজ্ঞানৰ বিষয়বস্তুৰ প্ৰতি আগ্ৰহ দেখুৱাইছিল।

দাৰ্শনিকসকলৰ লিখনিত মনোবিজ্ঞানৰ বিভিন্নবোৰ বিষয়ে স্থান পাইছে। ডেকাৰ্ট, লিবনিজ আৰু

ইংৰাজসকলৰ প্ৰচেষ্টাত এই ক্ষেত্ৰত লেখতলব'লগীয়া। এই লিখকসকলে জ্ঞান আয়ত্বকৰণ আৰু বিকাশ, স্মৃতি আৰু মানৱ আচৰণৰ সৈতে জড়িত থকা বিষয়সমূহক গুৰুত্ব দিছে। দাৰ্শনিক ল'ক, বাৰ্কলি, হিউম, ব্ৰাউন আৰু আন সকলে মনোবিজ্ঞানত বিজ্ঞানৰ নীতি প্ৰয়োগ কৰে। এইবোৰকে আনুষংগৰ নীতি (Laws of Association) বুলি জনা যায়। পোনতে এই নীতিবোৰক পৰীক্ষণ নীতিতকৈ বৌদ্ধিক বিশ্লেষণৰ দ্বাৰাহে গ্ৰহণ কৰা হৈছিল। আনুষংগৰ নীতিবোৰে দাৰ্শনিক মনোবিজ্ঞানত বিজ্ঞানৰ ভিত্তি প্ৰদান কৰিছিল।

উনৈশ শতিকাৰ মাজভাগত জীৱবিদ্যা আৰু পদাৰ্থবিজ্ঞানৰ বহুল বিকাশ সাধিত হয়। এই ক্ষেত্ৰত চাৰ্লচ্‌ ডাৰউইনৰ জৈৱ ক্ৰম বিবৰ্তনবাদ (Organic Evolution Theory) লেখতল'বলগীয়া। ডাৰউইনৰ মতবাদে অজৈৱ প্ৰকৃতিৰ পৰা জৈৱলৈ পৰিবৰ্তন কৰাৰ ধাৰণা বিকশাই তুলি বহল বিজ্ঞানৰ সূচনা কৰিছে। মনোবিজ্ঞানীসকলে দৰ্শন, ধৰ্ম আৰু তত্ত্বৰ ফলাফলসমূহৰ পৰা কিছু সিদ্ধান্তত উপনীত হৈছে যে মানৱ আচৰণ অন্যান্য জীৱ-জন্তুতকৈ পৃথক আৰু মানৱক প্ৰাকৃতিক নিয়মৰ (Natural Laws) শাৰীলৈ নিব পৰা নাযায়। ডাৰউইনৰ তত্ত্বই গৱেষকসকলৰ বাবে চিন্তা কৰিবলৈ সহায় কৰিলে যে মানৱৰ পৰীক্ষণৰ বাবে সুকীয়া গৱেষণাগাৰৰ প্ৰয়োজন আছে।

আন দিশৰ জ্ঞানৰ সহায়ত মানৱ আচৰণৰ ব্যাখ্যা কৰাৰ ক্ষেত্ৰত এক নতুন চিন্তাৰ উন্মেষ ঘটিল। শৰীৰ তত্ত্ব, স্নায়ুতত্ত্ব, পদাৰ্থ বিজ্ঞান, চিকিৎসা আদিৰ বিকাশ এই ক্ষেত্ৰত সহায় হৈ পৰিলে। পৰীক্ষণ মনোবিজ্ঞানে আন আন বিজ্ঞানক আৰ্হি হিচাবে লৈ আগবাঢ়িবলৈ ধৰিলে। আন এটা গুৰুত্বপূৰ্ণ দিশ এয়ে যে লাহে লাহে দৰ্শনৰ ধাৰণা পৰীক্ষণমূলক পদ্ধতি হিচাবে পৰিত্যাগ কৰা হ'ল আৰু মানৱ আচৰণৰ ওপৰত কৰা পৰীক্ষা-নীৰিক্ষা ক্ৰমে বৃদ্ধি পালে।

ইয়াৰ পিছৰ পৰ্যায়ত ক্ৰমে অনুষংগ নীতিৰ ওপৰত এটা সং-পৰীক্ষণ আৰ্হি প্ৰস্তুত কৰে। ইতিমধ্যে বিখ্যাত মনোচিকিৎসক হেল্ম হলট্‌য়ে (Helm Holtz) ভেকুলিৰ প্ৰতিক্ৰিয়াৰ গতিবেগৰ ওপৰত এক বলিষ্ঠ অধ্যয়ন কৰে। হেল্মৰ দ্বাৰা হোৱা যথাযথ অভীক্ষাটোৱে ভেকুলিৰ স্নায়ুৰ গতিবেগ পৰিমাপনত সহায় কৰে। মানৱৰ প্ৰতিক্ৰিয়া সময় পৰীক্ষণ কৰাৰ ক্ষেত্ৰত এই পৰীক্ষণে অভিপ্ৰেৰণা যোগালে। ডনডাৰচ্‌ (Donders) নামৰ ওলন্ডাজ চিকিৎসক এজনেও প্ৰতিক্ৰিয়া সময়ৰ (reaction time) ওপৰত পৰীক্ষণ আৰম্ভ কৰে। অনুষংগ নীতিৰ পিছত প্ৰতিক্ৰিয়া সময় অভীক্ষাটোৱে মানৱ আচৰণ অধ্যয়নৰ ক্ষেত্ৰত এটা গুৰুত্বপূৰ্ণ স্থান অধিকাৰ কৰিছে।

আন এক গুৰুত্বপূৰ্ণ বিকাশ হৈছে জাৰ্মানীৰ এজন চিকিৎসক ই. এইচ. ৱেবাৰ (E. H. Weber)ৰ সংবেদনৰ ওপৰত কৰা সংপৰীক্ষণ। ৱেবাৰে শাৰীৰিক অৱস্থা আৰু মনোবৈজ্ঞানিক পৰিৱৰ্তনৰ মাজত পৰিমাণগত দিশ সম্পৰ্কে অধ্যয়ন কৰে। ৱেবাৰৰ এই অধ্যয়নক মনোদৈহিক (Psychophysics) আখ্যা দিয়া হৈছে। তেওঁৰ পিছত আন এজন জাৰ্মানীৰ চিকিৎসক জি. টি. ফেচ্‌নাৰে (G. T. Fechner) এই দিশত আন এক অধ্যয়ন কৰে। মুলাৰেও (Muller) ইয়াত সহযোগিতা আগবঢ়ায়। এই গৱেষণাৰ ফলত ৱেবাৰ ফেচ্‌নাৰ (Weber-Fechner) সূত্ৰ আৱিষ্কাৰ হয়। এইটোৱেই মনোবিজ্ঞানৰ প্ৰথম পৰিমাণগত সূত্ৰ। ইয়াৰ ফলস্বৰূপে পৰীক্ষণ মনোবিজ্ঞানৰ ক্ষেত্ৰত সংবেদন আৰু দেহ-মানসিক দিশৰ আন এক অধ্যয়নৰ সূচনা হয়।

আন এক উল্লেখনীয় পদক্ষেপ হ'ল ফ্ৰান্সিচ্ গেলটনৰ (Francis Galton) দ্বাৰা ব্যক্তিগত বৈষম্যৰ ওপৰত কৰা অধ্যয়ন। তেওঁ ব্যক্তিগত বৈষম্যৰ ওপৰত কৰা অধ্যয়নে সাধাৰণ মনোবিজ্ঞান বিকাশৰ ওপৰতো অৱদান আগবঢ়ায়। গেলটন্ ব্যক্তিৰ বিভিন্ন দিশৰ আচৰণৰ ব্যক্তিগত বৈষম্যৰ সম্পৰ্কত আগ্ৰহী আছিল। আটাইতকৈ গুৰুত্বপূৰ্ণ ব্যক্তিগত আচৰণ হৈছে— প্ৰতিৰূপ গঠন। গেলটনে মানৱৰ প্ৰতিৰূপ গঠনৰ বৈষম্যৰ ওপৰত এটা অভীক্ষা প্ৰস্তুত কৰে। কালক্ৰমত প্ৰতিৰূপ আৰু কল্পনাৰ পৰীক্ষণৰ ক্ষেত্ৰত এই অভীক্ষাই এটা গুৰুত্বপূৰ্ণ স্থান দখল কৰে।

এনেদৰে উনৈশ শতিকাৰ শেষ ভাগলৈ পৰীক্ষণ মনোবিজ্ঞানে এটা নিৰ্দিষ্ট দিশৰ ফালে আগবাঢ়িল যদিও ই আছিল কিছু পৰিমানে অগঠিত। এই সকলোবোৰেই সমগ্ৰ ইউৰোপতেই বিকাশ ঘটিছিল। ১৮৭৯ চনত লিপজিগত উণ্টে প্ৰতিষ্ঠা কৰা গৱেষণাগাৰটোৱেই এই ক্ষেত্ৰত আটাইতকৈ লেখতলব'লগীয়া কাম। ইয়াৰ পিছত ৱাৰবাৰ্গ (Wurzburg), বাৰ্লিণ, ভিয়েনা আৰু আন আন ঠাইত এনে গৱেষণাগাৰ প্ৰতিষ্ঠা হ'বলৈ ধৰে। এই গৱেষণাগাৰসমূহত অনুষংগ, প্ৰতিক্ৰিয়া সময়, সংবেদন আৰু প্ৰতিৰূপৰ ওপৰত সংপৰীক্ষণ আৰম্ভ হয়। এটা দশকৰ ভিতৰত আন এক নতুন ক্ষেত্ৰ পৰীক্ষণ মনোবিজ্ঞানত অন্তভুক্ত হয় সেইটো হৈছে এবিংহচ (Ebbinghaus)-ৰ স্মৃতিৰ ওপৰত কৰা সংপৰীক্ষণ। তেওঁৰ স্মৰণৰ প্ৰক্ৰিয়া আৰু বিস্মৃতিৰ ক্ষেত্ৰত কিছু সিদ্ধান্তত উপনীত হ'ব পাৰিছিল। Ebbinghausৰ বিস্মৃতিৰ ৰেখাই (curve of forgetting) এতিয়াও এক অনন্য স্থান দখল কৰি আছে।

এই সময়লৈকে ইউৰোপতহে পৰীক্ষণ মনোবিজ্ঞানে স্থান অধিকাৰ কৰি আছিল। ই. এল. থৰ্ণডাইকে (E. L. Thoundike) আমেৰিকাত পোনতে এই ক্ষেত্ৰত কাম আৰম্ভ কৰে। থৰ্ণডাইকৰ মতে মানৱ আচৰণক বুজি পাবলৈ জন্তুৰ আচৰণ জানিব লাগিব। তেওঁ শিক্ষণৰ ওপৰত কৰা ভুল আৰু প্ৰচেষ্টাৰ পৰীক্ষণত বিষয়বস্তু আৰু সা-সঁজুলি আছিল ক্ৰমে মেকুৰী আৰু পাজ্‌ল বক্স (Puzzle box)। থৰ্ণডাইকে তাৰ জৰিয়তে আধুনিক পৰীক্ষণ মনোবিজ্ঞানৰ আৰ্হি প্ৰস্তুত কৰে।

থৰ্ণডাইকৰ কাৰ্য পদ্ধতি পৰীক্ষণ মনোবিজ্ঞানত এক লেখত লব'লগীয়া। তেওঁ জন্তুৰ ওপৰত বিশেষভাৱে প্ৰস্তুত কৰা পৰীক্ষণসমূহে সংহত মনোবিজ্ঞানৰ এটা অংশ হিচাপে আমেৰিকাৰ মনোবিজ্ঞানত পৰিগণিত হৈছে। ইউৰোপীয় মনোবিজ্ঞানীসকলৰ পৰীক্ষণ মনোবিজ্ঞানৰ পৰিধি প্ৰতিৰূপ, অনুষংগ আদিৰ ভিতৰতে সীমাবদ্ধ আছিল। থৰ্ণডাইকে আমেৰিকাৰ পৰীক্ষাগাৰত সম্পূৰ্ণ অৰ্থপূৰ্ণ কাম আৰম্ভ কৰে। পৰীক্ষণ মনোবিজ্ঞানত পশুৰ অন্তভুক্তিৱে ইয়াৰ গুণগত আৰু পৰিমাণগত মান বৃদ্ধি কৰে। জীৱ-জন্তুৰ ওপৰত কৰা পৰীক্ষণে বেছি সঠিক বাৰ্তা দিব পাৰে আৰু আচৰণ নিয়ন্ত্ৰণৰ ক্ষেত্ৰত উপযুক্ত দিশৰ সন্ধান দিব পাৰে। আমেৰিকাৰ পৰীক্ষণ মনোবিজ্ঞানত থৰ্ণডাইকৰ পৰীক্ষণে দুটা লক্ষণীয় দিশ নিৰ্ণয় কৰে। প্ৰথমটো জীৱ-জন্তুৰ শিক্ষণ আৰু দ্বিতীয়টো অভিৰোচন বা প্ৰয়োজনীয়তা।

আন এক গুৰুত্বপূৰ্ণ বিকাশ হৈছে ৰাচিয়াৰ মনোবিদ পেভ্‌লভ আৰু ভি. এইচ বেকতাৰেভৰ (V. H. Bechterev) কাৰ্যপদ্ধতি। এই দুজন মনোবিজ্ঞানীৰ শিক্ষণৰ ওপৰত কাৰ্যই পৰীক্ষণ মনোবিজ্ঞানক এক নতুন পথ দেখুৱায়। বেকতাৰেভৰ 'Objective reflex' আৰু পেভ্‌লভৰ 'Conditioned reflex' য়ে মানৱৰ

মৌলিক আচৰণৰ ক্ষেত্ৰত পৰিৱৰ্তন আনিলে। মানৱৰ আচৰণ সংশোধন কাৰ্যকে যদিও শিক্ষণ বুলি ভবা হৈছিল, পেভ্‌লভৰ অনুবন্ধিত প্ৰতিক্ৰিয়া সূত্ৰই শিক্ষণত এটা নতুন দিশৰ সন্ধান দিয়ে। অৱশ্যে পৰীক্ষণ কাৰ্যৰ বাবে সূত্ৰ আৰু কাৰ্য কৌশলৰ কিছু পৰিৱৰ্তন কৰি ল'ব লগা হৈছিল। এই ক্ষেত্ৰত আন কিছু মনোবৈজ্ঞানিকৰ অৱদান আছে চি. এল. হাল., বি. এফ. স্কিনাৰ, টলমেন, O. H. Mowrer, J. Dollard আৰু N. E. Miller আদি।

ইউৰোপ, আমেৰিকা আৰু ৰাচিয়াৰ বিভিন্ন মনোবিজ্ঞানীসকলে প্ৰাকৃতিক আৰু সামাজিক পৰিৱেশ আওকাণ কৰি এটা সাধাৰণ লক্ষ্যৰে কাম কৰিছিল— গৱেষণাগাৰৰ ভিতৰত মানৱৰ বিভিন্ন আচৰণ অধ্যয়ন কৰা। কিন্তু গৱেষণাগাৰৰ ভিতৰত কৰা অধ্যয়নৰ ফল সামাজিক পৰিৱেশত কৰা অধ্যয়নতকৈ কিছু বিমুৰ্ত আৰু কম বেছি পৰিমানে নিৰৰ্থক যেন লাগে। মানৱৰ বেছি ভাগ আচৰণ যিহেতুকে সামাজিক পৰিৱেশতহে সাধিত হয় সেইবাবে সামাজিক সম্পৰ্ক আৰু আন ব্যক্তিৰ সৈতে তুলনা কাৰ্যইহে সঠিক তথ্য দিব পাৰে। এনে অনুভৱৰ ফলতেই সামাজিক মনোবিজ্ঞানৰ বিকাশ হয়। সামাজিক উপাদান আৰু আন ব্যক্তিৰ আচৰণৰ প্ৰভাৱে পৰীক্ষণৰ ফলাফলত গুৰুত্বপূৰ্ণ দিশ হিচাবে বিবেচিত হয়। পৰীক্ষণ মনোবিজ্ঞানে এই দিশৰ ওপৰত পৰীক্ষণ কাৰ্য আৰম্ভ কৰি বিকাশ লাভ কৰিছে তাৰ ফলস্বৰূপে পৰীক্ষণমূলক সামাজিক মনোবিজ্ঞানে প্ৰকাশ লাভ কৰিছে।

## ১.৪ ঃমনোবৈজ্ঞানিক অভীক্ষা পৰিচালনা আৰু বিৱৰণ

### *(Conducting and Reporting of Psychological Experiment)*

মনোবৈজ্ঞানিক অভীক্ষা এটা সুচাৰুৰূপে পৰিচালনা কৰিবলৈ হ'লে অভীক্ষক এজনৰ অভীক্ষাটোৰ মানসিক দিশ সম্পৰ্কে সম্পূৰ্ণ জ্ঞান থাকিব লাগে। সেই মানসিক দিশৰ বিজ্ঞানসন্মত তথ্য আহৰণ কৰিবলৈ যত্ন কৰিব লাগে। মনোবৈজ্ঞানিক অভীক্ষাটোৰ বিষয়বস্তু যিহেতুকে এজন ব্যক্তিহে। সেইবাবে অভীক্ষাৰ্থী হিচাবে ব্যক্তিজন নিৰ্বাচন কৰোঁতে কিছু কথাৰ প্ৰতি মনোযোগ দিব লাগে। অভীক্ষাটোৰ প্ৰতি আগ্ৰহী, অভীক্ষা কাৰ্য্যৰ বাবে সম্পূৰ্ণ সহযোগী মনোভাৱ থকা আৰু ধৈৰ্য্যৰে অভীক্ষা কাৰ্য্য সম্পাদন কৰিবলৈ ইচ্ছুক ব্যক্তি এজনহে ভাল অভীক্ষাৰ্থী হ'ব পাৰে।

অভীক্ষা কাৰ্য্য সম্পাদনৰ বাবে এটা গৱেষণাগাৰৰ আৱশ্যক। শৈক্ষিক গৱেষণাগাৰৰ পৰিবেশ সম্পূৰ্ণ নিয়ন্ত্ৰিত হ'ব লাগে। সম্পূৰ্ণভাৱে শান্ত, বাহিৰা মনোযোগ বিকৰ্ষকৰ পৰা মুক্ত হোৱা প্ৰয়োজন।

কিছুমান অভীক্ষাত সঁজুলি ব্যৱহাৰ কৰা হয়। সঁজুলিসমূহ স্পষ্টভাৱে অভীক্ষকে বুজাই দিব পাৰিব লাগিব। কিছুমান অভীক্ষাত অৱশ্যে সঁজুলি ব্যৱহাৰ নকৰাকৈ কাগজ, কলম আদিৰ দ্বাৰাই কৰিব পাৰি।

শৈক্ষিক গৱেষণাগাৰত এজন অভীক্ষকে ছাত্ৰ বা কোনো ব্যক্তিক অভীক্ষাৰ্থী হিচাপে লৈ সম্পূৰ্ণ সুস্থ বাতাবৰণ এটাত বিজ্ঞানসন্মত পদ্ধতি অৱলম্বণ কৰি, এটা মানসিক দিশ বা সংলক্ষণ পৰিমাণ কৰা কাৰ্য্যই হৈছে মনোবৈজ্ঞানিক অভীক্ষা।

মনোবৈজ্ঞানিক অভীক্ষা কাৰ্য্য সম্পাদন কৰাৰ পাচত সকলো দিশ সামৰি লৈ বিষদভাৱে বৰ্ণনা কৰিব লাগে।

## অভীক্ষণ কাৰ্য্যৰ বিৱৰণ *(Reporting of the Experiment)*

এটা মনোবৈজ্ঞানিক অভীক্ষা সম্পাদন কৰা আৰু অভীক্ষাৰ সকলো নীতি-নিয়ম পালন কৰি তথ্য যুগুত কৰা কাৰিকৰীভাৱে এটা জটিল কাম। অভীক্ষকজনে অভীক্ষা সম্পৰ্কত তথ্য আহৰণ কৰাৰ সম্পৰ্কত সম্পূৰ্ণ জ্ঞাত হ'ব লাগিব। ব্যৱহাৰিক শ্ৰেণী (Practical class) সমূহৰ দুটা উদ্দেশ্য থাকিব লাগে।

১। ছাত্ৰসকলক বিজ্ঞানসন্মত নীতি প্ৰয়োগেৰে মনোবৈজ্ঞানিক তথ্য আহৰণ কৰিবলৈ প্ৰশিক্ষণ দিয়া আৰু অভীক্ষা কাৰ্য্য সম্পাদন কৰা।

২। অভীক্ষা আৰু অভীক্ষাৰ্থীৰ জ্ঞানৰ অভীক্ষা কাৰ্য্য সম্পাদনৰ লিখিত বিৱৰণ দিবলৈ শিকোৱা।

বিজ্ঞানৰ যিকোনো শাখাৰ (শুদ্ধ বিজ্ঞান বা প্ৰয়োগিক বিজ্ঞানৰ) একোজন অভীক্ষকে গৱেষণাগাৰৰ ভিতৰত সম্পাদন কাৰ্য্যৰ সবিশেষ বিৱৰণ, পদ্ধতি, কৌশল, ফলাফল আদি ভালদৰে লিপিবদ্ধ কৰিব লাগে কিয়নো আন এজনেও তাৰ পৰা সেই অভীক্ষা কাৰ্য্যৰ সম্পৰ্কে ভালদৰে বুজি পোৱাৰ সম্ভাৱনা থাকে।

এটা অভীক্ষা সম্পৰ্কে বৰ্ণনা কৰিবলৈ যাওঁতে তলত দিয়া ভাগবোৰ উল্লেখ কৰিব লাগে।

১। **শিৰোনামা *(Title)*** ঃ প্ৰথম ভাগটো হৈছে শিৰোনামা। ইয়াত অভীক্ষাৰ নামাকৰণ কৰা হয়। যেনে ঃ মনোযোগৰ বিভাজন (সাধাৰণতে এনে শিৰোনামা ১৫ টা শব্দৰ ভিতৰত হ'ব লাগে)

২। **উদ্দেশ্য *(Objective)*** ঃ উদ্দেশ্য হৈছে সম্পূৰ্ণ বিৱৰণৰ সাৰাংশ। ১৫০টা শব্দৰ ভিতৰত হোৱাকৈ উদ্দেশ্য লিখিব লাগে। সমস্যা সম্পৰ্কে উপস্থাপন কৰাটোৱেই ইয়াৰ উদ্দেশ্য।

### ঐতিহাসিক আৰু তত্ত্বগত পশ্চাদপদ *(Historical and Theoretical Background)*

এই শিতানত বিভিন্ন মনোবৈজ্ঞানিক অভীক্ষাসমূহৰ অন্তৰ্গত মনোবৈজ্ঞানিক ভিত্তিসমূহৰ বিষয়ে উল্লেখ থাকিব লাগে। উদাহৰণ হিচাপে যদি এটা অভীক্ষাই শিক্ষণৰ বিশেষ এটা দিশৰ অভীক্ষা কৰিবলৈ বিচাৰিছে তেনেহ'লে তাত শিক্ষণৰ নীতি, তত্ত্ব, সুত্ৰ, ধাৰণা আদিৰ চমুকৈ এটা বৰ্ণনা দিয়াটো প্ৰয়োজন। তাৰ বাহিৰেও সেই নীতিসমূহৰ সৈতে জড়িত মনোবিজ্ঞানীসকলৰ অৱদান সম্পৰ্কেও চমু আভাষ দিব পাৰি।

### পূৰ্ব অনুমান বা আনুমানিক সত্য *(Hypothesis)*

পূৰ্ব অনুমান বা আনুমানিক সত্য হৈছে আৰম্ভণিতে অভীক্ষকজনে অভীক্ষাটোৰ ফলাফল সম্পৰ্কে কৰা অনুমান। অভীক্ষাৰ সমস্যা, অতীত গৱেষণাৰ ভিত্তি, অভীক্ষাৰ অতীত অভিজ্ঞতাৰ ওপৰত নিৰ্ভৰ কৰি এটা উপযুক্ত আনুমানিক সত্য নিৰ্দ্ধাৰণ কৰি ল'ব পাৰে। অভীক্ষাৰ কাৰ্য্যৰ দ্বাৰা ইয়াৰ সত্যতা, অসত্যতা বিচাৰ কৰা হয়। কিছুমান অভীক্ষাৰ বেলিকা এনে পূৰ্ব আনুমানিক সত্যৰ উপযুক্ততা নাথাকে।

আনুমানিক সত্য এটাতকৈ বেছি হ'ব পাৰে। তাক $H_1$, $H_2$, $H_3$ এনেদৰে উল্লেখ কৰিব পাৰি।

### অভীক্ষণ আৰ্হি *(Experimental Design)*

**অভীক্ষাত ব্যৱহাৰ কৰা সা-সঁজুলিৰ বৰ্ণনা ইয়াত কৰা হয়। যদি অভীক্ষকে প্ৰয়োজন অনুভৱ কৰে তেনেহ'লে চলকৰ (variable) বৰ্ণনা দিব পাৰে।**

**চলক *(Variable)***

অন্যান্য বিজ্ঞানৰ দৰে মনোবিজ্ঞানত দুটা মুখ্য চলকৰ উল্লেখ কৰা হয়। এটা স্বতন্ত্ৰ (Dependent) আৰু আনটো নিৰ্ভৰশীল বা আপেক্ষিক।

অভীক্ষাৰ্থীজনৰ নাম, বয়স, শিক্ষাগত অৰ্হতা, স্থান, দিনাংক আদিৰ বিৱৰণ ইয়াত উল্লেখ কৰা হয়। অভীক্ষাটো নিৰ্দ্দেশনাৰ ক্ষেত্ৰত যদি আৰ্হি অভীক্ষাৰ প্ৰয়োজন হয় তেনেহ'লে ইয়াত আৰ্হিৰ বিষয়ে উল্লেখ কৰিব লাগে।

**কাৰ্য্য পদ্ধতি আৰু প্ৰণালী *(Methodology and procedure)***

অভীক্ষাটো কিদৰে সম্পাদন কৰা হ'ল, কি পদ্ধতি অৱলম্বন কৰা হ'ল, কি কি তথ্য আহৰণ কৰা হ'ল, অভীক্ষাৰ পৰা কি কি নীৰিক্ষণ কৰা হ'ল সম্পূৰ্ণ বৰ্ণনা ইয়াত উল্লেখ কৰা হয়। অভীক্ষাটোৰ বাবে থকা নিৰ্দ্দেশনাও ইয়াত বৰ্ণনা কৰা হয়। নিৰ্দ্দেশনাসমূহ অভীক্ষাৰ্থীয়ে বুজি পোৱাকৈ সহজ সৰল ভাষাত লিখিব লাগে।

**অন্তৰ্দৰ্শন প্ৰতিবেদন *(Introspective Report)***

অভীক্ষাৰ্থীজনক উৎসাহ যোগাবৰ বাবে অভীক্ষাটোৰ সম্পৰ্কত তেওঁৰ পৰা অন্তৰ্দৰ্শন প্ৰতিবেদন বিচাৰিব লাগে। এই প্ৰতিবেদনৰ ব্যাখ্যা অভীক্ষাৰ্থীয়ে নিজ ভাষ্যত প্ৰকাশ কৰিব লাগে। এই প্ৰতিবেদনৰ এটা গুৰুত্বপূৰ্ণ স্থান আছে। অভীক্ষাটোৰ কিছুমান অংশ প্ৰত্যক্ষ কৰিব বা ভাষাৰে, শব্দৰে বৰ্ণনা কৰিব নোৱাৰে। সেইবাবে অভীক্ষকে অভীক্ষাৰ্থীৰ পৰা প্ৰতিবেদন বিচৰা হয়। অন্তৰ্দৰ্শন প্ৰতিবেদনৰ পৰা অভীক্ষাৰ ফলাফল, বৰ্ণনা আৰু সমাধানৰ বাবে সমল গোটাব পাৰে।

অভীক্ষাটো শেষ হোৱাৰ পাছত অভীক্ষাৰ্থীক বিদায় জনোৱাৰ বিষয়ে প্ৰতিবেদনত উল্লেখ কৰিব লাগে।

**ফলাফল, পৰ্য্যালোচনা, পৰ্য্যবেক্ষণ *(Results, Discussion, Observation)***

অভীক্ষা সম্পাদন কৰাৰ পাছত তাত লাভ কৰা ফলাফলসমূহ (কেঁচা সামগ্ৰী আৰু পৰিসাংখ্যিক তথ্য) সমূহৰ উল্লেখ থাকে। অভীক্ষাৰ ফলাফলৰ ওপৰত তৈয়াৰ কৰা কাৰ্য্য তালিকা, লেখ চিত্ৰ আদিৰ বৰ্ণনা কৰা হয়। ফলাফলসমূহ তালিকাভুক্ত কৰাৰ পিছত প্ৰয়োজন মতে Mean, SD, T. test তৈয়াৰ কৰা হয়। কেতিয়াবা এটা বা দুটা Mean ৰ লগত তুলনা কৰি চোৱা হয় আৰু ফলাফল তালিকাত অন্তৰ্ভুক্ত কৰা হয়।

অভীক্ষকৰ বাবে ফলাফল পৰ্য্যালোচনা কৰাটো অতি জৰুৰী। অভীক্ষাৰ্থীৰ আবেগিক অভিব্যক্তি, অভিৰোচন, মানসিক আৰু শাৰীৰিক ক্লান্তি আৰু সেইবোৰ কেনেদৰে তেওঁ অতিক্ৰম কৰিলে তাৰ পৰ্য্যবেক্ষণ কৰি বৰ্ণনা কৰা হয়। অভীক্ষা চলি থকা কালচোৱাত অভীক্ষাৰ্থীৰ আচৰণ, মুখৰ চাপ, অৱসাদ আদিৰ বিৱৰণ উল্লেখ কৰি এটা সিদ্ধান্ত লোৱাৰ ক্ষেত্ৰত সমল গোটাব পাৰি।

**সামৰণি *(Conclusion)***

সামৰণিত অভীক্ষাৰ তথ্যসমূহৰ এক সাধাৰণ বৰ্ণনা উল্লেখ কৰি পূৰ্ব অনুমানৰ সত্যতা অসত্যতা প্ৰমাণ কৰি দেখুওৱা হয়। বাস্তৱ জীৱনত এই অভীক্ষাৰ ফলাফলৰ প্ৰয়োগ যুক্তিযুক্ততাৰ উল্লেখ কৰা হয়।